No. of Printed Pages—2

549 (AS)

[18–HRGPKAC–BPP–OY(O)]

BPP One Year (Old) Exam., 2018

(MIL) ASSAMESE

(অসমীয়া সাহিত্য, ব্যাকৰণ আৰু ৰচনা)

Full Marks : 50

Time : 2 hours

The figures in the margin indicate full marks for the questions

1. তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখক (প্ৰতিটো *এটা* বা *দুটা* বাক্যত) : 1×6=6

(a) শংকৰদেৱে কিমান বছৰকাল তীৰ্থ ভ্ৰমণ কৰিছিল ?

(b) 'জোনাকী' কাকতখন কাৰ সম্পাদনাত পোনপ্ৰথমবাৰৰ বাবে প্ৰকাশ পাইছিল ?

(c) ব্যক্তিনিষ্ঠ নিবন্ধত হাস্যৰসৰ উপস্থিতি থাকেনে ?

(d) লক্ষ্মীনাথ বেজবৰুৱাই কি ছদ্মনামেৰে ব্যংগ আৰু হাস্যৰসাত্মক নিবন্ধ লিখিছিল ?

(e) 'বৰ্ণ' বা 'আখৰ' কাক বোলে ?

(f) তলৰ কোনটো জতুৱা প্ৰয়োগৰ ভুল, নিৰ্ণয় কৰক :
খৰ পৰে, গৰম পৰে, ঘৰ বনায়, ছল কৰে।

2. তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখক (প্ৰতিটো *৫০* শব্দৰ ভিতৰত) : 2×6=12

(a) বাক্য ৰচনা কৰক :
ধুন মৰা, গা-গধুৰ।

(b) ইতিবাচক আৰু নেতিবাচক বাক্য কাক বোলে ?

(c) অম্বিকাগিৰী ৰায়চৌধুৰীয়ে কোনখন পুথিৰ বাবে, কেতিয়া 'সাহিত্য অকাডেমী' বঁটা লাভ কৰিছিল ?

(d) চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতা-পুথি কেইখনৰ নাম প্ৰকাশৰ চনসহ উল্লেখ কৰক।

(e) অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাৰাজিৰ মাজেদি প্ৰকাশ পোৱা ধাৰাকেইটা উল্লেখ কৰক।

(f) ইছলাম ধৰ্মৰ মূল ভিত্তি কেইটা আৰু কি কি?

3. তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ১৫০ শব্দৰ ভিতৰত) : 4×4=16

(a) ব্যাখ্যা কৰক প্ৰসংগ-সংগতি দৰ্শাই :

''গোপীগণো শুনৈ পুত্ৰ ভৈল যশোদাৰ।
উৰুক মুৰুক কৰি পিন্ধে অলংকাৰ॥
বান্ধিল উচ্চল খোপা পুষ্পে ভৰি কেশ।
আখিত অঞ্জন শিখে সিন্দুৰ বিশেষ॥''

(b) ''অধমে লইলোঁ, অধমে লওঁ, আল্লাৰ নাম।''

জিকিৰটিৰ মূল ভাব বৰ্ণনা কৰক।

(c) 'গঢ়া কৰি মোক ঝাড়ুদাৰ' কবিতাটোৰ বিষয়বস্তু সম্পৰ্কে এটি টোকা লিখক।

(d) ভাব-সম্প্ৰসাৰণ কৰক :

টেঙা আম এবাৰহে বেচিব পাৰি।

(e) অসমীয়ালৈ অনুবাদ কৰক :

The Wood's Despatch recommended the establishment of teacher training schools in each of the provinces. There should be training schools for teachers of engineering, medicine and law. The Despatch further emphasized the provision of scholarships to the teachers during their training period.

4. তলৰ যি কোনো **দুটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৪০০ শব্দৰ ভিতৰত) : 8×2=16

(a) ৰচনা লিখক : পুথিভঁৰাল।

(b) ণত্ববিধি আৰু ষত্ববিধিৰ নিয়মসমূহ আলোচনা কৰক।

(c) 'অসমীয়াৰ বীৰত্ব' নিবন্ধটোৰ মাজেদি অসমীয়া জাতিটোৰ কেনে মানসিকতা প্ৰদৰ্শন কৰা হৈছে? আলোচনা কৰক।

★ ★ ★